# বহলপুৰৰ ৰত্নপীঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বক্তৃতানুষ্ঠান

**প্ৰতিদিন বিশেষ সেৱা, বহলপুৰ, ২২ ফেব্ৰুৱাৰী ঃ** ধুবুৰী জিলাৰ বহলপুৰৰ ৰত্নপীঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আজি 'কবিতাৰ নিৰ্মাণ তত্ত্ব প্ৰসংগত কবি নীলমণি ফুকনৰ কবিতা' শীৰ্ষক এক মনোজ্ঞ বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মঞ্জুলা দাসৰ সভানেত্ৰিত্বত অনুষ্ঠিত বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে কবি নীলমণি ফুকনৰ কবিতাৰ বিশেষ উল্লেখেৰে মনোগ্ৰাহী ভাষণ আগবঢ়ায় ৰত্নপীঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক কন্দৰ্প বৰপূজাৰীয়ে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নয়ন কলিতাই উদ্বোধন কৰা বক্তৃতানুষ্ঠানত মহাবিদ্যালয়খনৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। কবি নীলমণি ফুকনৰ অতি জনপ্ৰিয়





আৰু বহুপঠিত কবিতা 'সূৰ্য হেনো নামি আহে এই নদীয়েদি', 'গোলাপী জামুৰ লগ্ন', 'নিৰ্জনতাৰ শব্দ', 'কেনে আছো মোক নুসুধিবা', 'আৰু কি নৈঃশব্দ', 'নৃত্যৰতা পৃথিৱী', 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে' আদি কবিতাৰ নিৰ্মাণতত্ত্ব প্ৰসংগত চিত্ৰকল্প, প্ৰতীক, উপমা আদিৰ বিশেষ আলোচনাৰে জীপাল হৈ পৰা এই বক্তৃতানুষ্ঠানত ৰত্নপীঠ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা গুল ৰৌশনাৰা বেগম, অধ্যাপক ড° চন্দন লহকৰ আদিয়েও বক্তব্য আগবঢ়ায়। অধ্যাপিকা ড° মনীষা তালুকদাৰে আঁত ধৰা বক্তৃতানুষ্ঠানৰ সামৰণিত যশস্বী শিল্পী পুলক বেনাৰ্জীৰ এটি সুৰীয়া গীতেৰে অভ্যাগতসকলক আপ্লুত কৰে ছাত্ৰী বিন্দেশ্বৰী সূত্ৰধৰে।